# <u>ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগ</u>

## অসম, উলুবাৰী, গুৱাহাটী, ডাঃ সূঃ -৭৮১০০৭

---

তাং -ইং ১৬/০৩/২০১৫

# <u>প্ৰেছ বিজ্ঞপ্তি</u>

যোৱা ইং **১৪/৩/২০১৫** তাৰিখে মৰিগাওঁ গান্ধীভৱন প্ৰেক্ষাগৃহত অসম আৰক্ষী আইন ২০০৭ ৰ অধীনত গঠিত ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগে, আৰক্ষীৰ দায়বদ্ধতা সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত কৰে । সভাত সভাপতিত্ব কৰে আয়োগৰ মাননীয় অধ্যক্ষ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰী প্ৰণয় কুমাৰ মুছাহাৰীয়ে ।

সভাত মৰিগাওঁ জিলাৰ **৩০০** জন লোকে অংশগ্ৰহণ কৰে । ইয়াৰ ভিতৰত মৰিগাওঁ জিলাৰ আৰক্ষীৰ উপৰিও, গণ্য-মান্য ব্যক্তি, জিলা পৰিষদৰ সভাপতি, বেচৰকাৰী সংগঠনৰ বিষয়ববীয়া, আঞ্চলিক আৰু গাওঁ পঞ্চায়তৰ সভাপতি, থানা সমিতি সমূহৰ বিষয়ববীয়া, মহিলা সমিতিৰ বিষয়ববীয়া, মহিলা সমাজকৰ্মী আদিয়েই প্ৰধান ।

ইয়াৰোপৰি উপস্থিত থকা বিশিস্ট ব্যক্তি সকলৰ ভিতৰত আছিল আয়োগৰ মাননীয় অধ্যক্ষ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰী প্ৰণয় কুমাৰ মুছাহাৰী, মাননীয়া সদস্যা শ্ৰীমতী পাৰুল দেৱী দাস, অৱসৰ প্ৰাপ্ত আই. এ. এছ, মাননীয় সদস্য শ্ৰী শিৱব্ৰত কাকতি অৱসৰপ্ৰাপ্ত আই. পি. এছ, আয়োগৰ সচিব শ্ৰী হৰেশ চন্দ্ৰ দত্ত অৱসৰপ্ৰাপ্ত এ.চি.এছ, মুখ্য অনুসন্ধানকাৰী বিষয়া ভক্ত বাহাদুৰ চেত্ৰী অৱসৰপ্ৰাপ্ত এ.পি.এছ, মৰিগাওঁ জিলাৰ অতিৰিক্ত উপায়ুক্ত প্ৰাণজিৎ গগৈ,মৰিগাওঁ জিলাৰ আৰক্ষী অধীক্ষক আইনুল হক ।

<u>মুখ্য বক্তা হিচাপে</u>

ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগৰ সদস্য শ্ৰী শিৱব্ৰত কাকতিয়ে কয় যে আৰক্ষীৰ সমাজৰ প্ৰতি আইনগত দায়বদ্ধতা আছে । ইয়াৰ উলংঘন কৰিলে সমাজৰ যিকোনো লোকে আনকি আৰক্ষী বিভাগৰ লোকেও আয়োগৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে । আৰক্ষী আইন মতে

আ ৰক্ষী **ৰ জিম্মাত মৃত্যু,**

**গুৰুতৰ আঘাত,**

**.শ্লীলতা হানি, ধৰ্ষণ বা ধৰ্ষণৰ প্ৰচেষ্টা,**

**অবৈধভাৱে গ্ৰেপ্তাৰ বা আৱদ্ধ,**

**সম্পত্তিৰ আইনগত মালিকীস্বত্ব বা দখলাধিকাৰৰ পৰা বলপূৰ্বৰ্ক বঞ্চিত,**

কুটিলবুদ্ধিৰ **বলী অথবা বল পূৰ্ব্বক ধন দাবী,**